# ৰাভামিজ
# ধ্বনিতাত্ত্বিক বৈশিষ্ট্য

# ৪.০০ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য

## ৪.১০ স্বৰবৰ্ণ ঃ

৪.১১ ৰাভামিজত স্বৰবৰ্ণ ছয়টা। সেই স্বৰবৰ্ণ কেইটা হ'ল / ই, এ, উ, ও, অ' / আৰু / আ /। জিভাৰ অৱস্থান অনুসৰি ইহঁতক তলত দিয়া ধৰণে তালিকাভুক্ত কৰিব পাৰি।

**তালিকা নং- ৭ (স্বৰবৰ্ণ)**

| | সন্মুখ | কেন্দ্ৰীয় | পশ্চ |
|---|---|---|---|
| উচ্চ | ই/i / | | উ /u / |
| উচ্চ-মধ্য | | | ও /o / |
| নিম্ন-মধ্য | এ /E / | | অ' /ɔ/ |
| নিম্ন | | আ /a / | |

৪.১২ সদৃশ পৰিবেশত বিৰোধযুক্ত ধ্বনিকে বৰ্ণ বোলে— "*A phoneme is defined, not as a sound produced in such and such a manner, but as a point of reference in an interlocking network of contrasts.*"[১] ৰাভামিজত থকা

১.Charles F. Hockett : **A Course In Modern Linguistics**,1985, sec. 13.1, p. 112

উপৰি উক্ত ধ্বনিবোৰৰো একে পৰিবেশত বিৰোধ ঘটে কাৰণেই এইবোৰ বৰ্ণ। এই বিৰোধ আদি, মধ্য আৰু অন্ত্য — এই তিনিওটা অৱস্থানতে পৰিলক্ষিত হয়।

৪.১৩ আদ্য অৱস্থানত বিৰোধ ঃ

ই /i/ ঃ ইৰি /ira/ , 'এড়ি'
এ /E/ ঃ এৰে /Ere/ , 'ইয়াৰে'
উ /u/ ঃ উৰি /uri/, 'উঁই'
অ' /  / ঃ অ'ৰায়ো /ɔrayo/, 'সকলোৰে'
ও /o/ ঃ ওৰা /ora/ , 'শেষ'
আ/a/ ঃ আৰ /ar  /, 'নেপথ্য'

৪.১৪ মধ্য অৱস্থানত বিৰোধ ঃ

ই /i / ঃ বিল /bil /, 'বিল'
এ /E / ঃ বেল /bEl /, 'এবিধ ফল'
উ /u / ঃ বুল /bul /, '√খোজ কাঢ়'
অ' /  / ঃ ব'ল /bɔl /, 'শক্তি'
ও /o / ঃ বোল /bol/, 'মাত'
আ /a / ঃ বালা /bala /, 'বালি'

৪.১৫ অন্ত্য অৱস্থানত বিৰোধ ঃ

ই /i / ঃ গুৰি /guri/, 'গোৰ'
এ /E / ঃ গ'ৰে /gɔrE/, 'গৰৈ মাছ'
উ /u / ঃ গুৰু /guru/, 'গৰু'
অ' /  / ঃ ৰো /ro/, 'ৰৈ যা'
ও /o /  ঃ ৰ' /rɔ/, 'ৰোপন কৰ'
আ /a / ঃ ৰা /ra/, 'ৰাঁচ'

### ৪.২০ দ্বিস্বৰ ঃ

তলত দিয়া তালিকাখনত ( তালিকা নং—৮ ) ৰাভামিজত ব্যৱহাৰ হোৱা দ্বিস্বৰবোৰ দেখুওৱা হৈছে।

**তালিকা নং—৮**

**দ্বিস্বৰ**

দ্বিতীয় বৰ্ণ

| প্ৰথম বৰ্ণ | ই | এ | আ | অ’ | ও | উ |
|---|---|---|---|---|---|---|
| ই | | ১ | ২ | ৩ | ৪ | ৫ |
| এ | ৬ | ৭ | ৮ | | ৯ | ১০ |
| আ | ১১ | ১২ | | | ১৩ | ১৪ |
| অ’ | ১৫ | | | | | ১৬ |
| ও | | ১৭ | ১৮ | | | |
| উ | ১৯ | ২০ | ২১ | | ২২ | ২৩ |

(১) ই এ/iE/ ঃ ইয়ে/iE/, 'এঁৰেই'
ঝিয়েক/ziEk/, 'জীয়েক'

(২) ই আ / ia / ~ ইয়া / iya / ঃ খ'তিআ / khɔtia /~খ'তিয়া / khɔtiya/, 'শৰপন্থ'
গাৰিআ / garia / ~ গাৰিয়া / gariya /, 'এলেহুৱা'
চাতিআ / tsatia / ~ চাতিয়া/ tsatiya /, 'কঠ'
ঝিআৰী/dzhiari / ~ ঝিয়াৰী/ dzhiyari /, 'জিয়ৰী'
বুতিআ/ butia/ ~ বুতিয়া/ butiya /, 'বেজীত ভৰোৱা সূতা, বটিয়া '
বুদিআ / budia/ ~ বুদিয়া / budiya /, 'বুধিয়ক'
তিআ / tia / ~ তিয়া / tiya /, 'ভাটৌ'
ধাৰিআ/ dharia / ~ ধাৰিয়া / dhariya /, 'টোকোৰা চৰাই'
ভুতিআ/ bhutia / ~ ভুতিয়া / bhutiya /, 'পুৰুষ ডাইনী'

(৩) ই অ' / i / ~ ই য় /iyɔ/ ঃ কিঅ' / kiɔ / ~ কিয়' /kiyɔ /, 'কিয়'
পিঅ'ন / piɔn /~ পিয়'ন / piyɔn /, 'ডাকোৱাল'

(৪) ই ও /io/ ঃ ম'নিও /mɔnio/ ~ ম'নিয়ো /mɔ niyo/, 'মণিও'
সিও/ xio / ~ সিয়ো / xiyo /, 'সিও'

(৫) ই উ /iu/ ঃ জিউ /ziu/, 'আত্মা'

জিউতা /ziuta/, 'জীৱন লাভ কৰা'

দিউৰী /diuri/, 'দেউৰী'

নিউল /niul/, 'নেউল'

(৬) এ ই/Ei/ঃ এইক /Eik/,'এওঁক'

(৭) এএ/EE/~ এই/Ei/ঃ দেএ/dEE/~দেয়ে/dEyE/~ দেই/dEi/,'দিয়ে'

নেএ/nEE/~ নেয়ে/nEyE/~ নেই/nEi/, 'নিয়ে'

(৮) এআ/Ea/ ঃ ঝ'কেআ /dzhɔkEa/ ~ ঝ'কেয়া /dzhɔkEya/, 'এক ধৰণৰ ফল'

(৯) এও /Eo/ ঃ দেও /dEo/, 'দেৱতা'

দেওকাত্ৰা /dEokatra/, 'দহিকতৰা'

(১০) এউ /Eu/ ঃ সেউৰি /xEuri/, 'শিঁহৰি'

(১১) আই/ai/ ঃ আইৰা /aira/, 'বন কুকুৰা'

আইচা /aicha/, 'মাছ মাছ গোন্ধোৰা'

গাইন /gain/, 'উৰাল মাৰি'

তেতাই/tEtai/, 'চিঞৰি'

দাই/dai/, 'জৰিমনা'

বাইৰ্হা /bairha/, 'বাৰিষা'

ভাই/bhai/, 'ভাই'

(১২) আএ/aE/ ঃ সিয়াএ /xiaE/সিয়ায়ে /xiayE/, 'শিপাই'

তাএ /taE/ ~ তায়ে/tayE/, 'তায়ে'

(১৩) আও /ao/ ঃ আওতা /aota/, 'থপ্‌থপীয়াকৈ সিজা'

তাও /tao/, 'উত্তাপ, গৰম'

দাও/dao/, 'দা'

নাও /nao/, 'নাও'

(১৪) আউ/au/ ঃ কাউৰ /kaur/, 'কাউৰী'

চাউৰা /chaura/, 'ওখ'

জাউৰি/zauri/, 'এজাউৰি'

দাউক/dauk/, 'ডাউক চৰাই'

পাউৰা/paura/, 'পাৰ চৰাই'

লাউ /lau/, 'লাও'

(১৫) অ'ই / ɔi/ ঃ অ'ইৰান /ɔiran/, 'অৰণ্য'

ক'ই/k ɔi/, 'কাৰৈ'

গ'ইলন/g ɔil ɔn/, 'আমলখি'

খ'ইৰাদি/kh ɔiradi/, 'আখৈ বেচা তিৰোতা'

ব'ইৰ্‌হান/b ɔirhan/, 'বৰযুণ'

(১৬) অ'উ/ ɔu/ ঃ ক'ৰৌন্দা/kɔ rounda/, 'কৰ্জা টেঙা'

(১৭) ওএ /oE/~ ওৱে /owE/ ঃ ন'নোএ /nɔ noE/~ ন'নোৱে /nɔ nowE/, 'ভাইটিয়ে

ম'নোএ/m ɔnoE/~ ম'নোৱে /mɔ nowE/, ' মনোৱে'

(১৮) ওআ/ oa/ ঃ ৰ'কোআ/rɔkoa/~ ৰ'কোৱা/rɔkowa/, 'ৰুকা'

ঝ'কোআ/dzhɔkoa/~ ঝ'কোৱা/dzhɔkowa/, 'জোকোৱা'

ব'নোআ/bɔnoa/~ ব'নোৱা/b ɔnoa/, 'সজা'

(১৯) উই/ui/ ঃ জুই/dzui/, 'জুই'

তুই/tui/, 'তই'

ভুই/bhui/, 'ভুমি'

মুই/mui/, 'মই'

(২০) উএ /uE/~ উৱে /uyE/ঃ গুৰুএ /guruE/~ গুৰুৱে /guruwE/,'গৰুৱে'

যুদুএ/dzuduE/ যুদুয়ে /dzuduwE/, 'যদুৱে'

(২১) উআ/ua/ ~ উৱা/uwa/ ঃ কুআ/kua/~ কুৱা/kuwa/, 'কুঁৱলী'

ঘুৰুআ /ghurua/ ~ ঘুৰুৱা /ghuruwa/, 'ঘৰুৱা'

ব'ৰুআ/bɔrua/ ~ব'ৰুৱা /bɔruwa/, 'জোঙাৰ পৰা মদ উলিয়াবৰ কাৰণে তিতা লাওৰ পৰা প্ৰস্তুত কৰা পাত্ৰ'

মুকুআ /mukua/ ~ মুকুৱা/mukuwa/, 'ভেট ফুল'

লাথুআ /lathua/ ~ লাথুৱা/lathuwa/, 'দুষ্ট'

(২২) উও /uo/ ঃ ম'নুও /mɔnuo/, 'মনুও'

যুদুও /dzuduo/, 'যদুও'

(২৩) উউ /uu/ ঃ বুউ /buu/, 'বৌ'

মুউ /muu/, 'মৌ'

ধুউ/dhuu/, 'ঢৌ'

ৰুউ/ruu/, 'ৰৌ'

৪.৩০ ত্রিস্বৰ ঃ

(১) ইএই /iEi/ ~ ইয়েই /iEyi/ঃ আৰ'তিএই /arɔtiEi/ ~ আৰ'তিয়েই /arɔtiEyi/, 'আৰতিয়ে' (nom.)

যিএই /ziEi/ ~ যিয়েই /dziEyi/, 'যিয়ে' (nom.)

সিএই /xiEi/ ~ সিয়েই /xiEyi/, 'সিয়ে' (nom.)

(২) ইআই /iai/ ~ ইয়াই /iyai / ঃ আইল্ছিআই /ailtsiai/ ~ আইল্ছিয়াই /ailsiyai/, 'এলেহুৱাই'

থিআই /thiai/ ~ থিয়াই /thiyai/, 'থিয়ৈ'

বিআই /biai/ ~ বিয়াই /biyai/, 'বিয়ৈ'

(৩) এআই/Eai/ ~ এয়াই /Eyai/ঃ কাৰেআই /karEai/ ~ কাৰেয়াই /karEyai/, 'কেৰাহিয়ে'

(৪) এওআ /Eoa / ~ এওৱা /Eowa/ ঃ ঝেওআ /dzhEoa/ ~ ঝেওৱা /dzhEowa/, 'তিৰোতা'

লেওআ /lEoa/ ~লেওৱা /lEowa/, 'লতা'

(৫) উএই /uEi/~ উয়েই /uEyi/ ঃ জুনুএই /dzunuEi/ ~জুনুয়েই /dzunuEyi/,'জুনুয়ে' (nom.)

থানুএই /thanuEi/ ~থানুয়েই /thanuEyi/, 'থানুয়ে' (nom.)

(৬) উআই /uai/ ~ উৱাই /uwai/ ঃ বুনুআই /bunuai/ ~ বুনুৱাই /bunuwai/, 'বনৰীয়াই'

ৰুনুআই /runuai/~ ৰুনুৱাই /runuwai/, 'ৰণুৱাই'

(৭) আইআ /aia/ ~ আইয়া /aiya/ ঃ আইআ /aia/ ~ আইয়া /aiya/, 'মা'

কামছাইআ /kamsaia/ ~ কামছাইয়া /kamsaiya/, 'ৰ'দ নপৰা ঠাই'

(৮) আওআ /aoa /~ আওৱা /aowa /ঃ খাওআ /khaoa/ ~ খাওৱা /khaowa/, 'খোৱা'

গাওআ /gaoa /~ গাওৱা /gaowa /, 'গোৱা'

চাওআ /ts:aoa /~ চাওৱা /tsʃ aowa /, 'সন্তান'

(৯) উআও /uao /~ উৱাও /uwao / ঃ খুআও /khuao/ ~ খুৱাও /khuwao/, 'খুৱাই দিওঁ'

## ৪.৪০ চতুঃস্বৰ ঃ

(১) আই-আও/ai-ao/~ আই-আৰ/aiaw/ ঃ আই-আও /ai-ao/ ~ আই-আৰ/ai-aw/, 'বাহ বাহ! '

হাই আও/hai-ao/~ হায়াও/hayaw/, 'হায় ঐ'

(২) আও-আই/ao-ai /~ আওৱাই/aowai/ ঃ আও-আই/ao-ai/~ আওৱাই /aowai/, 'কেঁকা'

বাও-আই/bao-ai /~ বাওৱাই/baowai/, 'পথভ্ৰষ্ট হ'

মাও-আই/mao-ai /~ মাওৱাই/maowai/, 'আমৈ'

## তালিকা নং-৯

## স্বৰবৰ্ণসমূহৰ প্ৰয়োগ

| স্বৰ বৰ্ণ | আদ্য স্থানত প্ৰয়োগ | মধ্য স্থানত প্ৰয়োগ | অন্ত্য স্থানত প্ৰয়োগ |
|---|---|---|---|
| ই | ✓ | ✓ | ✓ |
| এ | ✓ | ✓ | ✓ |
| উ | ✓ | ✓ | ✓ |
| ও | ✓ | ✓ | ✓ |
| অ’ | ✓ | ✓ | ✓ |
| আ | ✓ | ✓ | ✓ |

**৪.৫০ ব্যঞ্জন বৰ্ণঃ**

৪.৫১ ৰাভামিজত ব্যঞ্জন বৰ্ণ পঁচিশটা। ইহঁতক উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী তলত দিয়া ধৰণে শ্ৰেণী ভুক্ত কৰিব পাৰি।

**তালিকা নং-১০**

## ব্যঞ্জন বৰ্ণ

| | | ঔষ্ঠ্য | | দন্তমূলীয় | | কণ্ঠ্য | | কণ্ঠনালীয় | |
|---|---|---|---|---|---|---|---|---|---|
| | | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ |
| স্পৰ্শ ধ্বনি | অল্পপ্ৰাণ | প/p/ | ব/b/ | ত/t/ | দ/d/ | ক/k/ | গ/g/ | | |
| | মহাপ্ৰাণ | ফ/ph/ | ভ/bh/ | থ /th/ | ধ /dh/ | খ/kh/ | ঘ /gh/ | | |
| স্পৃষ্ট ধ্বনি | অল্পপ্ৰাণ | | | চ/ts/ | জ/dz/ | | | | |
| | মহাপ্ৰাণ | | | ছ/tsʰ/ | ঝ/dzh/ | | স/x/ | | হ/h/ |
| নাসিক্য | | | ম/m/ | | ন/n/ | | | ঙ/ŋ/ | |
| পাৰ্শ্বিক | | | | | ল/l/ | | | | |
| কম্পিত | | | | | ৰ/r/ | | | | |
| অৰ্ধস্বৰ | | | ৱ/w/ | | | | য়/y/ | | |

৪.৫২ আদ্য স্থানত বিৰোধ ঃ

| | |
|---|---|
| প/p/ | ঃ পাতা /pata/, 'মৰাপাট' |
| ফ/ph/ | ঃ ফাতা/phata/, 'ফাট' |
| ব/b/ | ঃ বাতা/bata/, 'বতাহ, বৰতা' |
| ভ/bh/ | ঃ ভাতা/bhata/, 'কাৰখানা' |
| ত/t/ | ঃ তালা/tala/, 'তলুৱা' |
| থ/th/ | ঃ থাল/thal/, 'কাঁহী' |
| দ/d/ | ঃ দালা/dala/, 'ডলা' |
| ধ/dh/ | ঃ ধালা/dhala/, 'এঢলীয়া' |
| ক/k/ | ঃ কাতা/kata/, 'কঁইট' |
| খ/kh/ | ঃ খাতা/khata/, 'চুটি' |
| গ/g/ | ঃ গাতা/gata/, 'গাঁত' |
| ঘ/gh/ | ঃ ঘাতা/ghata/, 'তিল' |
| চ/ts/ | ঃ চালা/tsala/, 'চালনিত সৰকোৱা কার্য' |
| ছ/tsh/ | ঃ ছালা/tshala/, 'খুলশালি ল'ৰা' |
| জ/dz/ | ঃ জালা/dzala/, 'জলকীয়া' |
| ঝ/dzhh/ | ঃ ঝালা/dzhala/, 'পুৰণি কুৰা আদি পৰিষ্কাৰ কৰ্' |
| স/x/ | ঃ সালা/xala/, 'শলা' |
| হ/h/ | ঃ হালা/hala/, 'হালি যোৱা' |
| ম/m/ | ঃ মালা/mala/, 'মালা' |
| ন/n/ | ঃ নালা/nala/, 'নর্দমা' |
| ৰ/r/ | ঃ ৰাঙা/raŋa/, 'ৰঙা' |
| ল/l/ | ঃ লাঙা/laŋa/, 'দেৱতা বিশেষ' |
| ৱ /w/ | ঃ বিৰল |
| য় /y/ | ঃ বিৰল |

৪.৫৩ মধ্য স্থানত বিৰোধ ঃ

| | |
|---|---|
| প/p/ | ঃ চাপা/tsapa/, 'কাষ চপা' |
| ফ /ph/ | ঃ ছাফা/tshapha/, 'পৰিষ্কাৰ' |
| ব/b/ | ঃ বাবা/baba/, 'দেউতা' |
| ভ /bh/ | ঃ ৰাভা/rabha/, 'ৰাভা জাতি' |
| ত/t/ | ঃ আতা/ata/, 'ককা' |
| থ/th/ | ঃ আথা/atha/, 'এঠা' |
| দ/d/ | ঃ আদা/ada/, 'আদা' |
| ধ/dh/ | ঃ আধা/adha/, 'আধা' |
| ক/k/ | ঃ আকা/aka/, 'অঁকা' |
| খ/kh/ | ঃ আখা/akha/, 'জুহাল' |
| গ/g/ | ঃ পাগা/paga/, 'পগা' |
| ঘ/gh/ | ঃ পাঘা/pagha/, 'পঘা, ৰচী' |
| চ/ts/ | ঃ কাচা/katsa/,'কেঁচা' |
| ছ/tsh/ | ঃ খাছা/khatsha/, 'খাং' |
| জ/dz/ | ঃ আজাৰ/adzar/, 'অসুখ-অশান্তি' |
| ঝ/dzh/ | ঃ আওঝাৰ/aodzhar/, 'এজাৰ গছ' |
| স/x/ | ঃ আসাৰ/axar/, 'এষাৰ' |
| হ/h/ | ঃ পাহাৰ/pahar/, 'পাহাৰ' |
| ম/m/ | ঃ মামা/mama/, 'মোমাই' |
| ন/n/ | ঃ মানা/mana/, 'বাধা' |
| ঙ/ŋ/ | ঃ মাঙা/maŋa/, 'মগা' |
| ৰ/r/ | ঃ মাৰা/mara/, 'মৰণা' |
| ল/l/ | ঃ মালা/mala/, 'মালা' |
| ৱ /w/ | ঃ ছাৱা /tshawa/, 'কেচুৱা, পোৱালী' |
| য় /y/ | ঃ ছায়া /tshaya/, 'ছাঁ' |

৪.৫০.৪ অন্ত্য স্থানত বিৰোধ ঃ

| | |
|---|---|
| প/p/ | ঃ গাপ/ gap /, 'তল পেলাই থ্' |
| ফ/ ph / | ঃ মাফ/ maph / ~ মাপ/ map /, 'ক্ষমা' |
| ব/ b / | ঃ গাব/ gab /, 'ৰং' |
| ভ/ bh / | ঃ গাভ/gabh / ~ গাব/gab /, 'গৰ্ভধাৰণ' |
| ত/ t / | ঃ কাত/ kat /, 'কাট' |
| থ/ th / | ঃ কাথ/ kath /, 'কাঠ' |
| দ/ d / | ঃ বাদ/ bad /, 'বাদে' |
| ধ/ dh / | ঃ বুধ/ budh / ~ বুদ/ bud /, 'বুধবাৰ' |
| ক/ k / | ঃ আক/ ak /, 'আঁক' |
| খ/ kh / | ঃ কাখ/ kakh /, 'ওচৰ' |
| গ/ g / | ঃ ৰাগ/ rag /, 'খং' |
| ঘ/ gh / | ঃ বাঘ/ bagh /~ বাগ/ bag /, 'বাঘ' |
| চ/ ts /ঃ | বাচ/ bats /, 'শেন চৰাই' |
| ছ/ tsh / | ঃ বাছ/ batsh /, 'জী উঠ্' |
| জ/ dz / | ঃ বাজ/ badz /, 'বাজ' |
| ঝ /dzh/ | ঃ বিৰল |
| স/ x / | ঃ দোস/ dox /~ দোখ/ dokh /, 'দোষ' |
| হ /h/ | ঃ বিৰল |
| ম/ m/ | ঃ ধাম/ dham /, 'গঁৰ' |
| ন/ n / | ঃ ধান/ dhan /, 'ধান' |
| ঙ/ŋ / | ঃ ধাং ধাং/ dhaŋ dhaŋ /, 'উদাং' |
| ৰ/ r / | ঃ খাৰ/ khar /, 'খাৰ' |
| ল/ l / | ঃ খাল/ khal /, 'খাল' |
| ৱ যয | ঃ বিৰল |
| য় /y/ | ঃ দায় /day/~ দাই /dai/, 'জগৰ, দণ্ড' |

তালিকা নং- ১১

ব্যঞ্জন বৰ্ণসমূহৰ প্ৰয়োগ

| ব্যঞ্জন বৰ্ণ | আদ্য স্থানত প্ৰয়োগ | মধ্য স্থানত প্ৰয়োগ | অন্ত্য স্থানত প্ৰয়োগ |
|---|---|---|---|
| প | ✓ | ✓ | ✓ |
| ফ | ✓ | ✓ | ✓ |
| ব | ✓ | ✓ | ✓ |
| ভ | ✓ | ✓ | ✓ |
| ত | ✓ | ✓ | ✓ |
| থ | ✓ | ✓ | ✓ |
| দ | ✓ | ✓ | ✓ |
| ধ | ✓ | ✓ | ✓ |
| ক | ✓ | ✓ | ✓ |
| খ | ✓ | ✓ | ✓ |
| গ | ✓ | ✓ | ✓ |
| ঘ | ✓ | ✓ | ✓ |
| চ | ✓ | ✓ | ✓ |
| ছ | ✓ | ✓ | ✓ |
| জ | ✓ | ✓ | ✓ |
| ঝ | ✓ | ✓ | × |
| স | ✓ | ✓ | ✓ |
| হ | ✓ | ✓ | × |
| ম | ✓ | ✓ | ✓ |
| ন | ✓ | ✓ | ✓ |
| ঙ | × | ✓ | ✓ |
| ল | ✓ | ✓ | ✓ |
| ৰ | ✓ | ✓ | ✓ |
| ৱ | × | ✓ | × |
| য় | × | ✓ | ✓ |

### ৪.৬০ ব্যঞ্জন বৰ্ণসমূহৰ প্ৰয়োগ ঃ

ৰাভামিজত থকা পঁচিশটা ব্যঞ্জন বৰ্ণৰ ভিতৰত ঙ/ŋ/ ধ্বনি আৰু অৰ্দ্ধস্বৰ ৱ/w/ আৰু য় /y/ ৰ আদ্য স্থানত প্ৰয়োগ নহয় যদিও মধ্য অৱস্থানত ঙ /ŋ/, ৱ/w/ আৰু য় /y/ ধ্বনিৰ প্ৰয়োগ আছে আৰু অন্ত্য অৱস্থানত ঙ/ŋ/ আৰু য়/y/ ধ্বনিৰ প্ৰয়োগ আছে। এই তিনিটা ব্যঞ্জনৰ বাহিৰে বাকী একৈশটা ব্যঞ্জন বৰ্ণৰে আদ্য স্থানত প্ৰয়োগ হয়। মধ্য স্থানত পঁশিচটা ব্যঞ্জন বৰ্ণৰ আটাই কেইটাৰে প্ৰয়োগ হয়। আনহাতে অন্ত্য অৱস্থানত অৰ্দ্ধস্বৰ /ৱ/ ৰ দৰে দন্তমূলীয় ঘোষ উষ্ম মহাপ্ৰাণ হ্ ধ্বনি আৰু দন্তমূলীয় ঘোষ মহাপ্ৰাণ ধ্বনি ঝ /zh/ ৰ প্ৰয়োগ নহয়। বাকী আটাই কেইটা ব্যঞ্জনৰে অন্ত্য অৱস্থানত প্ৰয়োগ হয়। (তালিকা নং—১১, পৃ—৭৪)

### ৪.৭০ সংযুক্ত ব্যঞ্জন ঃ

ৰাভামিজত সংযুক্ত ব্যঞ্জনবোৰ শব্দৰ আদি, মধ্য আৰু অন্ত্য অৱস্থানত প্ৰয়োগ হোৱা দেখা যায়। সেইবোৰৰ ভিতৰত বেছি সংখ্যকেই দুটা ব্যঞ্জনৰ সংযুক্তি, তিনিটা ব্যঞ্জনৰ সংযুক্তিৰ সংখ্যা কম। আনহাতে সংযুক্ত ব্যঞ্জনবোৰৰ অধিকাংশই মধ্য স্থানত প্ৰয়োগ হয়, খুব কম সংখ্যকেহে শব্দৰ আদ্য স্থানত প্ৰয়োগ হোৱা দেখা যায়। তলত ৰাভামিজত ব্যৱহাৰ হোৱা সংযুক্ত ব্যঞ্জনবোৰৰ উল্লেখ কৰা হ'ল (তালিকা নং—১২, পৃ—৭৬)।

(১) পপ/pp/ঃ থাপ্প'ৰ /thappɔr/, 'থাপ্পৰ, চৰ'
ধাপ্পা/dhappa/, 'ফাকি, প্ৰতাৰণা'

(২) পত /pt/ ঃ কুপ্তি /kupti/, 'কপৌ'
গ্ৰেপ্তাৰ/grEptar/, 'আটক, বন্দী'
হাপ্তা/hapta/, 'সপ্তাহ'
গ'প্তা /gɔpta/, 'গোবাট'

## তালিকা নং- ১২

## সংযুক্ত ব্যঞ্জন

দ্বিতীয়বৰ্ণ

| প্ৰথম বৰ্ণ | প | ত | ক | ব | দ | গ | ফ | থ | খ | ভ | ধ | ঘ | চ | ছ | জ | ঝ | স | হ | ম | ন | ঙ | ৰ | ল |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| প | ১ | ২ | ৩ | | | | | | | | | | ৪ | | | | | | | ৫ | | ৬ | ৭ |
| ত | ৮ | ৯ | ১০ | | | | | ১১ | | | | | | ১২ | | | | | ১৩ | ১৪ | | ১৫ | ১৬ |
| ক | | ১৭ | ১৮ | | | | | | | | | | ১৯ | ২০ | | | | | ২১ | | | ২২ | ২৩ |
| ব | | | | ২৪ | ২৫ | | | | | | | | | ২৬ | ২৭ | | | | | | | ২৮ | ২৯ |
| দ | | | | | ৩০ | | | | | | | | | | | | | | | | | ৩১ | ৩২ |
| গ | | | | | | ৩৩ | | | | | ৩৪ | | | | | | | | | ৩৫ | | ৩৬ | ৩৭ |
| ফ | | | | | | | | | | | | | | | | | | | | | | | |
| থ | | | | | | | | | | | | | | | | | | | | | | | |
| খ | | | | | | | | | | | | | | | | | | | | ৩৮ | | ৩৯ | ৪০ |
| ভ | | | | | | | | | | | | | | | | | | | | | | | |
| ধ | | | | | | | | | | | | | | | | | | | | | | | |
| ঘ | | | | | | | | | | | | | | | | | | | | ৪১ | | | |
| চ | | | | | | | | | | | | | ৪২ | | | | | | | | | ৪৩ | |
| ছ | | ৪৪ | ৪৫ | | | | | | | | | | | | | | | | | ৪৬ | | ৪৭ | ৪৮ |
| জ | | | | | | | | | | | | | | | ৪৯ | | | | | | | ৫০ | |
| ঝ | | | | | | | | | | | | | | | | | | | | | | | |
| স | | | | | | | | | | | | | | | | | | | | | | | |
| হ | | | | | | | | | | | | | | | | | | | | ৫১ | | ৫২ | ৫৩ |
| ম | ৫৪ | ৫৫ | | ৫৬ | | | ৫৭ | ৫৮ | | ৫৯ | | | | | | | | | ৬০ | ৬১ | | ৬২ | ৬৩ |
| ন | | ৬৪ | | | ৬৫ | | | ৬৬ | | | ৬৭ | | ৬৮ | ৬৯ | ৭০ | | | | | ৭১ | | | |
| ঙ | | ৭২ | ৭৩ | | | ৭৪ | | ৭৫ | ৭৬ | | | ৭৭ | | ৭৮ | ৭৯ | | | ৮০ | | ৮১ | | ৮২ | ৮৩ |
| ৰ | ৮৪ | ৮৫ | ৮৬ | ৮৭ | ৮৮ | ৮৯ | ৯০ | ৯১ | ৯২ | | | | | ৯৩ | ৯৪ | ৯৫ | | ৯৬ | ৯৭ | ৯৮ | | | ৯৯ |
| ল | ১০০ | ১০১ | ১০২ | | ১০৩ | | | ১০৪ | | | ১০৫ | | | | | | | | ১০৬ | ১০৭ | | | ১০৮ |

(৩) পক/pk/ ঃ বাপ্কে/bapkE /, 'দেউতাক'

(৪) পচ/pts/পছ /ptsh/ ঃ ধেপ্চা/dhEptsa/, 'চুটি-চাপৰ'

(৫) পন/pn/ ঃ চেপ্না/chEpna/, 'হাকুটি'

(৬) পৰ /pr/ ঃ খাপ্রুং /khapruη/, 'দেই যোৰা'

চুপ্রেং /chuprEη/, 'পোহৰৰ প্ৰতিবিম্ব পেলাই মাছ ধৰা যতন'

তুপ্রা /tupra/, 'ঘূৰণীয়া'

তেপ্রা /tEpra/, 'চুটি'

(৭) পল /pl/ঃ তাপ্লা /tapla/, 'উঠিব নজনা লোক, এলেহুৱা'

তেপ্লা/tEpla/, 'পাত্ৰ আদিৰ কোনো অংশ বহি যোৱা'

ধাপ্লাং /dhapla/, 'ঢোল বজাব নজনা লোক'

ধিপ্লা /dhipla/, 'সোপা'

(৮) তপ /tp/ঃ উৎপাত /utpat/, 'উৎপাত'

(৯) তত /tt/ঃ আপুত্তি /aputti/, 'আপত্তি'

(১০) তক /tk/ঃ তাত্কা /tatka/, 'সতেজ'

ম'ত্কায় /mɔtkay/, 'মোটকা'

(১১) তথ /tth/ঃ পাৎথ'ৰ /patthɔr/, 'শিল'

লাৎথি /latthi/, 'লাঠি'

(১২) তছ /ts/ঃ উৎছ'ব /utsɔb/, 'উৎসৱ'

উৎছা /utsa/, 'উৎসাহ'

চিকিৎছা /chikitsa/, 'চিকিৎসা, শুশ্ৰূষা'

বাৎছা /batsa/, 'কেঁচুৰা'

(১৩) তম /tm/ঃ আত্মা /atma/, 'আত্মা'

(১৪) তন /tn/ঃ ঘ'ত্না /ghɔtna/, 'ঘটনা'

ৰ'ত্না /rɔtna/, 'নাম বিশেষ'

(১৫) তৰ /tr/ ঃ ত'ত্ৰেং /tɔtrEη/, 'শুকাই ক্ষীণাই যোৱা'

ফাত্ৰা/phatra/, 'ফটুৰা'

মাত্ৰা /matra/, 'মতা'

দেও কাত্ৰা /dEokatra/, 'দহিকতৰা'

(১৬) তল /tl/ঃ কুত্লায়/kutlay/, 'ছিঙা'

বিত্লা /bitla/, 'বিটলীয়া'

(১৭) কত /kt/ঃ আক্তা-ফাক্তা /akta-phakta/, 'অতি মাত্ৰা (তিতা)'

উক্তা /ukta/, 'গাহৰিয়ে নাকেৰে মাটি খোচৰা'

সুক্তা /xukta/, 'শোকোতা'

(১৮) কক /kk/ঃ থ'ক্ক'ৰ /thɔkk ɔr/, 'আঘাত, টুকুৰিওৱা কাৰ্য'

ধাক্কা /dhakka/, 'ঢকা, খুন্দিওৱা'

ম'ক্কেল /mɔkkEl /, 'উকিল নিয়োগ কৰোঁতা'

ৰাইক্ক' /raikkɔ/, 'ৰাক্ষস'

(১৯) কচ /kch/ঃ আক্‌চি-ফাক্‌চি /aktsi-phaktsi/, 'আওকালী'

ঘুক্‌চা /ghukcha/, 'লুকা'

(২০) কছ /ks/ঃ অ'ক্‌ছি /ɔktshi/, 'বাজী ঔ'

ৰিক্‌ছা /rikstha/, 'ৰিক্সা'

(২১) কম/km/ঃ ত'ক্‌মা /tɔkma/, 'এবিধ ফল'

(২২) কৰ/kr/ঃ নাক্‌ৰেং-মুক্‌ৰেং /nakrEη–mukrEη/, 'লেতেৰা মুখ'

পাক্‌ৰি /pakri/, 'বট গছ'

ফাক্‌ৰেং /phakrEη/, 'গাহৰি আদিৰ হনুৰ ভিতৰত থকা মজ্জা'

বাক্‌ৰা /bakra/, 'বকৰানি'

বোক্‌ৰা /bokra/, 'ঠোঁঠা'

(২৩) কল /kl/ঃ চাক্‌লা /chakla/, 'ঘূৰণীয়া'

তিক্‌লি /tikli/, 'টেকেলি'

(২৪) বব /bb/ঃ ছাব্বিছ /tshabbisth/, 'ছাব্বিশ'

ন'ব্বৈ /n ɔbbɔi/, 'নব্বৈ'

মাত'ব্ব'ৰ /matɔbbɔr/, 'নেতা'

(২৫) বদ /bd/ঃ জব্দ/z ɔbd ɔ/, 'জব্দ'

সব্দ/x ɔbdɔ/, ' শব্দ'

বাপ্‌দায় /bapday/, 'পিতৃ হিচাপে দায়গ্রস্ত হোৱা'

(২৬) বছ /bs/ঃ গ'ব্‌ছা /g ɔbtsha/, 'ডাঠ'

(২৭) বজ /bdz/ঃ চ'ব্‌জি /ch ɔbdzi/, 'শাক-পাচলি'

(২৮) বৰ /br/ঃ ব্রেক্ /brEk/, 'মদ ঢালিবলৈ ব্যৱহাৰ কৰা তিতা লাওৰ খোলা'

ছাব্রি /tshabri/, 'মেল চপাওঁতে ৰাইজক দিবলগীয়া ধন'

থ'ব্রা /th ɔbra/, 'একগোট হোৱা'

ভেব্রা /bhEbra/, 'মূৰ্খ পুৰুষ'

ভেব্রী /bhEbri/, 'মূৰ্খ স্ত্ৰী'

লাব্রা /labra/, 'সান-মিহলিকৈ ৰন্ধা আঞ্জা'

লেব্রা /lEbra/, 'বাওঁ হতীয়া'

(২৯) বল /bl/ঃ দব্‌লা /dɔbla/, 'ডৰা'

থ'ব্‌লা-থ'ব্‌লি /thɔbla-thɔbli/, 'সোপাসোপে'

থেম্বেব্লেক /thEmbEblEk/, 'লেপেটা কাঢ়ি বহ'

(৩০) দদ /dd/ঃ আদ্দা /adda/, 'আড্ডা'

প'দ্দ' /pɔddɔ/, 'পদুম'

বিদ্দা /bidda/, 'বিদ্যা'

বুদ্দি /buddi/, 'বুদ্ধি'

ম'ক'দ্দমা/mɔ kɔ ddɔma/, 'গোচৰ'

(৩১) দৰ /dr/ঃ ল'দ্ৰা-ল'দ্ৰি /lɔdra-lɔdri/, 'টুকুৰা-টুকুৰি'

থ'দ্ৰা প'ৰ /thɔdra pɔr/, 'ঠেটুৱৈ লাগ'

(৩২) দল /dl/ঃ খিদ্‌লায় /khidlay/, 'ঠাট্টা কৰ্, ইতিকিং কৰ্'

ছদ্‌লা /tsɔ dla/, 'ডাঠ'

(৩৩) গগ /gg/ঃ বিগ্‌গান /biggan/, 'বিজ্ঞান'

(৩৪) গধ /gdh/ঃ দ'গ্‌ধা /dɔgdha/, 'স্বয়ং'

(৩৫) গন /gn/ ঃ হানি-বিগ্‌নি /hani-bigni/, 'ক্ষয়-ক্ষতি'

(৩৬) গৰ /gr/ঃ আগ্ৰ' /agr ɔ/, 'আগ্ৰহ'

আগ্ৰা /agra/, 'এবিধ বন'

বাগ্ৰা-বাগ্ৰি /bagra-bagri/, 'বাগৰা-বাগৰি'

(৩৭) গল/gl/ ঃ ঘোগ্‌লা বেং/ghogla bEŋ/, 'বামুন ভেকোলা'

বুগ্‌লা/bugla/, 'বগলী'

দিগ্‌লা /digla/, 'দীঘল'

(৩৮)খন/khn/ ঃ বাখ্‌নায়/bakhnay/, 'বখনা'

সুখ্‌না/xukhna/,'শুকান'

(৩৯) খৰ/khr/ ঃ খ্ৰাও-খ্ৰাও/khrao-khrao/, 'তীব্ৰ স্বৰত কথা কোৱা'

অ'খ্ৰা/ɔkhra/, 'অঁকৰা'

দোখ্ৰা/dokhra/, 'ডোখৰ'

(৪০) খল/khl/ ঃ আখ্লায়/akhlay/, 'বাচন ধোৱা'

মাখ্লা /makhla/, 'মোকাল বাঁহ'

জাখ্লা /zakhla/, 'জখলা'

(৪১) ঘন /ghn/ ঃ বিঘ্নি/bighni/, 'বিপদ'

(৪২) চচ /tsts/ ঃ বাচ্চা/batstsa /~ বাত্চা/batsa/, 'কেচুৱা'

(৪৩) চৰ/tsr/ ঃ বিচ্ৰা/bitsra/, 'বিচৰা'

খেচ্ৰা /khEtsra/, 'খেচেৰা'

(৪৪) ছত/st/ ঃ ওছ্তাদ/otshtad/, 'গুৰু'

গুছ্তি/gutshti/, 'আলহী'

ঘেছ্তা/ghEtshta/, 'ঘঁহ, পিহ, মাজ'

পছ্তক/p ɔtsht ɔk/, 'সময়'

পছ্তা/p ɔtshta/, 'অনুতাপ কৰ্'

মেছ্তা/mEtshta/, 'টেঙামৰা'

(৪৫) ছক/sk/ ঃ ইছ্কুল/itshkul/,'স্কুল'

ইছ্কেল/itshkEl/,'স্কেল'

(৪৬)ছ্ন/tshn/ ঃ প্ৰ'ছ্ন'/pr ɔtshn ɔ/, 'প্ৰশ্ন'

বিছ্নু /bitshnu/, 'নাম বিশেষ'

বাছ্না /batshna/, 'গোন্ধ'

বিছ্না /bitshna/, 'বিতৃষ্ণা'

(৪৭)ছ্ৰ/tshr/ ঃ খেছ্ৰা/khEtshra/,'লেতেৰা'

বেছ্ৰা/bEtshra/, 'বেচেৰা'

আছ্ৰা /atshra/, 'খেৰালি জাল'

(৪৮) ছ্‌ল /tshl/ ঃ নিছ্‌লা /nitshla/, 'মিছা মাছ'

(৪৯) জজ /dzdz/ঃ ব'জ্জাত /bɔdzdzat/, 'দুষ্ট, অধম'

(৫০) জৰ /dzr /ঃ জ্ৰাম্-জ্ৰাম্ /dzram-dzram/,'শব্দ কৰি জপিওৱা'

(৫১) হ্‌ন /hn/ঃ ব'হ্নি /bɔhni/, 'আৰম্ভণি'

(৫২) হ্ৰ /hr/ঃ পাহ্ৰায় /pahray/, 'পাহৰ'

(৫৩) হ্‌ল /hl/ঃ কাহ্‌লায় /kahlay/, 'প্ৰবল ইচ্ছা কৰ্'

(৫৪) মপ /mp/ঃ জাম্পু পুৰ/dzampu pur/, 'জোপোহা'

(৫৫) মত /mt/ঃ চিম্‌তা /tsimta/, 'চিম্‌তা'

খেম্‌তা /khEmta/, 'ক্ষমতা'

(৫৬) মব /mb/ঃ আম্‌বা লাৰু /amba laru/, 'আমলখি'

গাম্‌বেল-মাম্‌বেল /gambEl-mambEl/, 'লোদোৰ-পোদোৰ'

জাম্বুৰা /dzambura/, 'ৰবাৰ টেঙা'
থেম্বেঙা /thEmbEηa/, 'মূৰ সৰু আৰু পেট ডাঙৰ'
ব'ম্ব'লেঙা /bɔmb ɔlEηa/, 'ডাঙৰ, শকত-আবত'
হাম্বালা /hambala/, 'হাবিয়াস কৰ্'

(৫৭) মফ /mph/ঃ গাম্ফালা-মাম্ফালা /gamphala-mamphala/, 'ডোখৰা-ডোখৰ'
ছাম্ফাল /tshamphal/, 'নিয়ন্ত্ৰণ কৰ্, ৰক্ষা কৰ্'

(৫৮) মথ /mth/ঃ চেম্থা /tsEmtha/, 'চিকটা'

(৫৯) মভ /mbh/ঃ লাম্ভা/lambha/~ লাম্বা /lamba/, 'দীঘল'

(৬০) মম /mm/ঃ হিম্ম'ত /himmɔt/, 'সাহস, মনোবল'

(৬১) মন /mn/ঃ ধেম্না /dhEmna/, 'দ্বিতীয় পত্নী'
খাম্না /khamna/, 'অলপ'
দাম্না /damna/, বেছি'

(৬২) মৰ /mr/ঃ আম্ৰা /amra/, 'অমৰা'
কুম্ৰা /kumra/, 'কোমোৰা'
দাম্ৰা /damra/, '[illegible]মৰা'
(৬৩) মল /ml/ঃ গাম্লা /gamla/, 'চৰিয়া'
হাম্লায় /hamlay/, 'অনুতাপ কৰ্'
(৬৪) নত /nt/ঃ খ'ন্তা /kh ɔnta/, 'চিপ্ৰাং'
তেন্ত'ন /tEnt ɔn/, 'ধূৰ্ত্ত'

দান্‌তাল /dantal/, 'দঁতাল'

বিন্‌তি সাপ /binti xap/, 'এবিধ বিষাক্ত সাপ'

লান্‌তা /lanta/, 'অভ্যাস'

ৰিন্‌তুৱা /rintuwa/, 'নিস্তেজ'

(৬৫) নদ /nd/ঃ কোন্দ'লা /kond ɔla/, 'কোচ'

গেন্দা /gEnda/, 'নার্জি ফুল্'

ত'ন্দ'লেঙ্কা /tɔndɔlEŋka/, 'বাঢ়েটোকা'

ব'ন্দা, /bɔ nda/, 'বোন্দা'

ফান্দি /phandi/, 'বনৰীয়া হাতী ধৰা চিকাৰী'

লান্দ /land/, 'নাদ'

(৬৬) নথ /nth/ঃ আন্‌থু কুৰিয়া /anthu kuriya/, 'নিঃসন্তান দম্পতি'

এন্‌থাই-গেন্‌থাই /Enthai-gEnthai/, 'ফোঁপাই-জোপাই'

জান্‌থি /dzanthi/, 'বাঁহেৰে তৈয়াৰী মদ চেকা পাত্ৰ'

পেন্‌থালি/pEnthali/, 'পোখা মেল'

লেন্‌থাৰি /lEnthari/, 'লানি নিছিগা'

(৬৭) নধ /ndh/ঃ আন্ধাৰ /andhar/, 'এন্ধাৰ'

আন্ধালুক /andhaluk/, 'লতা জাতীয় উদ্ভিদৰ আলু'

গান্ধি /gandhi/, 'গান্ধী পোক'

মেন্ধেলা /mEndhEla/, 'লোদোৰ-পোদোৰ'

(৬৮) নচ /nch/ঃ কান্‌চা চুকু /kancha chuku/, 'উজাগৰে'

কোন্‌চো /koncho/, 'দেৱতা বিশেষ'

(৬৯) নছ /ntsh/ঃ মান্ছেলেঙ্কা /mantshElEηka/, 'মাছৰোকা'

(৭০) নজ /nz/ঃ জ'ন্জাল /dzɔnzal/, 'জঞ্জাল'

ঝ'ন্জাত /dzhɔnzat/, 'বিপদ, প্রতিকুল পৰিস্থিতি'

(৭১) নন/nn/ঃ ভিন্না/bhinna/, 'বছৰেকীয়া বন্দবস্তত গৃহস্থৰ ঘৰত কাম কৰা লগুৱা'

(৭২) ঙত/ηt/ ঃ গাংতি/gaηti/, 'কাষলতি'

লেংতি /lEηti/, 'পোন্ধ'

(৭৩)ঙক /ηk/ঃকুংকিলা/kuηkila/, 'কঁকিলা মাছ'

মানছেলেংকা/mansElEηka/, 'মাছৰোকা'

হোংকা/hoηka/, 'হোকা'

বেঙ্কা /beηka/, 'বেঁকা'

লাঙ্কা /laηka/, 'দূৰ'

(৭৪) ঙগ/ηg/ঃ গ'ংগা/gɔηga/, 'নদী বিশেষ'

আংগাৰ /aηgar/, 'এঙাৰ'

(৭৫) ঙথ/ηth/ ঃ আংথা/a ηtha/, 'অঙঠা'

আংথি/aηthi/, 'আঙুঠি'

লাংথা/laηtha/, 'নাঙঠ'

(৭৬) ঙখ/ηkh/ ঃ পাংখা/paηkha/, 'ফেন'

লুংখা/luηkha/, 'খাং, হোৰা'

(৭৭) ঙঘ /ηgh/ ঃ ল'ঙ্‌ঘ'ন/lɔηghɔn/, 'লঙ্ঘন'

(৭৮) ঙছ/ηs/ ঃ ছ'ংছাৰ/sɔηsar/, 'সংসাৰ'

ব'ংছ'/bɔηsɔ/, 'বংশ'

(৭৯) ঙজ/ηz / ঃ স'ংজ'ম/xɔηzɔm/, 'সংযম'

(৮০) ঙহ/ηh/ ঃ ছিংহ'/siηhɔ/, 'সিংহ'

ব'ংহ'/bɔηhɔ/, 'বংশ'

(৮১) ঙন /ηn/ ঃ তেংনা/tEηna/, 'শিঙৰা মাছ'

পোংনা/poηna/, 'পোনা মাছ'

(৮২) ঙৰ /ηr/ ঃ আংৰা/aηra/, 'এঙাৰ'

আম্‌ছিংৰি/amsiηri/, 'টেঙেচি টেঙা'

খাংৰি /khaηri/, 'এবিধ পুঠি মাছ'

(৮৩) ঙল /ηl/ ঃ এংলা /Eηla/, 'এইবিলাক'

(৮৪) ৰপ /rp/ ঃ চ'ৰ্পা /chɔrpa/, 'উৰি ফুৰা আৰু জীৱ জন্তুক কামোৰা এবিধ সৰু পোক'

সিৰ্পা /xirpa/, 'পুষ্প বৃষ্টি পৰ্'

(৮৫) ৰত /rt/ ঃ পেৰ্তা /pErta/, 'সোৰোপালি, লেতেৰা স্বভাৱৰ'

ব'ৰ্তা /bɔrta/, 'জীয়া'

(৮৬) ৰক /rk/ ঃ ক'ৰ্কা /kɔrka/, 'মাছ ধৰা এবিধ সঁজুলি'

জুৰ্কা /dzurka/, 'জুলুকি'

থ'ৰ্কা /thɔrka/, 'টনি মাৰি সুমুৱাই থ'ব পৰা বাঁহৰ চুঙা'

ভুৰ্কা /bhurka/, 'ভুলুকা বাঁহ'

হুৰ্কা /hurka/, 'ধুমুহা'

(৮৭) ৰব /rb/ঃ ছ'ৰ্বি /tsɔrbi/, 'তেল, চৰ্বি'

(৮৮) ৰদ /rd/ ঃ ক'ৰ্দৈ /kɔrdE/, 'কৰ্দৈ'

ছ'ৰ্দি / tshɔrdi/, 'পানী লগা'

ছ'ৰ্দাৰ / tsh ɔrdar/, 'নেতা'

(৮৯) ৰগ /rg/ ঃ খ'ৰ্গ ৰাজা /kh ɔrg ɔ raza/, 'দেৱতা বিশেষ'

(৯০) ৰফ /rph/ ঃ ব'ৰ্ফি /bɔrphi/, 'মিঠাই বিশেষ'

(৯১) ৰথ /rth/ঃ অ'ৰ্থ / ɔrthɔ/, 'অৰ্থ'

(৯২) ৰখ /rkh/ঃ খেৰ্খা /khErkha/, 'খৰাহী'

জুৰ্খা /dzurkha/, 'জুলুকি'

(৯৩) ৰচ /rch/ঃ খ'ৰ্চা /kh ɔrtsa/, 'খৰচ'

চ'ৰ্চা /ts ɔrtsa/, 'পৰচৰ্চা'

বাৰ্চুং /bartsuŋ/, 'ৰাভাৰ এটি গোত্ৰ'

(৯৪) ৰছ /rs/ঃ আৰ্ছি /artshi/,'দাপোন'

(৯৫) ৰজ/rdz/ঃ দ'র্জা /dɔrdza/, 'দুৱাৰ'

ম'র্জি /mɔrdzi/, 'ইচ্ছা'

(৯৬) ৰহ /rh/ঃ ব'ৰ্হান /bɔrhan/, 'বৰষুণ'

(৯৭) ৰম /rm/ঃ কুৰ্মা /kurma/, 'আলহী'

চুৰ্মা /tsurma/, 'অঞ্জন'

ধ'ৰ্ম' /dhɔrmɔ/, 'ধৰ্ম'

(৯৮) ৰন /rn/ঃ ধ'ৰ্না /dhɔrna/, 'ধৰ্মঘট'

ঝ'ৰ্না /dzhɔrna/, 'নিজৰা'

(৯৯) ৰল /rl/ঃ ক'ৰ্লু /kɔrlu/, 'কৰিলোঁ'

ধ'ৰ্লু /dhɔrlu/, 'ধৰিলোঁ'

(১০০) লপ /lp/ঃ চেল্‌পেপেক /tsElpEpEk/'একেবাৰে পনীয়া'

ঝেল্‌পা /dzhElpa/, 'ঢিলাকৈ ওলমি থকা'

সেল্‌পা /xElpa/, 'এলেহুৱা, পনীয়া, চোক নথকা'

(১০১) লত /lt/ঃ আল্‌তুৱা/altuwa/, 'সহজতে'

উল্‌তা/ulta/, 'ওলোটা'

গ'ল্‌তা /gɔlta/, 'ঢুকিওৱা'

চুল্‌তুঙা /tsultuŋa/, 'চতুৰ'

জুল্‌তুক-জাল্‌তাক /dzultuk-dzaltak/, 'জধলা'

(১০২) লক /lk/ঃ কুনজেল্‌কা /kundzElka/, 'কুমজেলেকুৰা'

কেল্‌কা /kElka/, 'ছাল বখলিওৱা'

চেল্‌কানি /tsElkani/, 'চেলেকণা মাছ'

ধেল্‌কা /dhElka/, 'জুলীয়া ধৰণৰ'

ভিল্‌কি /bhilki/,'ভেলেকি'

(১০৩) লদ /ld/ঃ আল্‌দা /alda/, 'পৃথক, বেলেগ'

গাল্‌দাদাব /galdadab/, 'সকলোফালে ঢাক খোৱাকৈ'

চ'ল্‌দ'ং-ম'ল্‌দং / tsɔldɔŋ-mɔldɔŋ /, 'সুদা গাৰে'

চ'ল্‌দোদ'ক / tsɔldodɔk/, 'সুৰ সুৰকৈ ঘুৰি আহ'

(১০৪) লথ /lth/ঃ কুল্‌থি /kulthi/, 'এবিধ মাহ জাতীয় শস্য'

(১০৫) লধ /ldh/ঃ জ'ল্‌ধা /dzɔldha/, 'জাতি বিশেষ'

হাল্‌ধি /haldhi/, 'হালধি'

(১০৬) লম /lm/ঃ ঝেল্‌মা /dzhElma/, 'এক ধৰণৰ সৰু পোক'

(১০৭) লন /ln/ঃ আল্‌না /alna/, 'কাপোৰ ওলমাই ৰখা সৰঞ্জাম'

ঝুল্‌না /dzhulna/, 'দোলনা'

বেল্‌না /bElna/, 'সৰঞ্জাম বিশেষ'

(১০৮) লল /ll/ঃ চিল্লি /tsilli/, 'পইতাচ'ৰা'

বাল্লা /balla/, 'বৰলা'

বাল্লি /balli/, 'বৰালি'
মেল্লা /mElla/, 'বহুত'
ৰ'ছগোল্লা /rɔtshgolla/, 'ৰসগোল্লা'
সাল্লি /xalli/, 'শৰালি'

## ৪.৮০ তিনিটা ব্যঞ্জনৰ সংযুক্তি ঃ

(১) ছপৰ /spr/ ঃ ইছ্প্রিং /ispriŋ/, 'স্প্রিং'

(২) ছতৰ /str/ ঃ ইছ্ত্রি /istri/, 'ইস্ত্রী'
মিছ্ত্রি /mistri/, 'মিস্ত্রী'

(৩) ছকৰ /skr/ ঃ ইছ্ক্রু/iskru/, 'স্ক্রু'

(৪) নতৰ /ntr/ ঃ ঘ'ন্ত্রায় /ghɔntray/, 'ঘোদাল'
জ'ন্ত্র /zɔntrɔ/, 'যন্ত্র'

(৫) নদৰ /ndr/ ঃ চিন্দ্রাই /chindrai/, 'ৰঙা চিকৰা'
লোন্দ্রা /londra/, 'ঘূৰণীয়া'
ভান্দ্রা /bhandra/, 'ভোজ-ভাত'

(৬) ঙখৰ /ŋkhr/ ঃ আংখ্রেঙা /akhrEŋa/, 'খঙাল'
ব'ংখ্রা /bɔŋkhra/, 'ভাগ ভাগ কৰ'
(৭) ঙখল/ŋkhl/ ঃ জাংখ্লা /zaŋkhla/, 'জখলা'

(৮) ঙগৰ /ŋgr/ ঃ আদাংগ্ৰেত /adaŋgret/, 'এবিধ বজ্ৰা জাতীয় উদ্ভিদ'

ঘোংগ্ৰা /ghoŋra/, 'ঘোং'

দাংগ্ৰি, /daŋri/ 'ডাঙৰি'